# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-05-2025
**Time :** 1845 HRS

## ***Assamese Evening Bulletin***
## **Headlines**
**------------------**

ooooo

১।	ৰাজ্যৰ ৫ খন জিলাৰ মুঠ ৪৪টা ভোটগ্ৰহণ কেন্দ্ৰত আজি পঞ্চায়ত নিৰ্বাচনৰ পুনৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন।

২।	৭ মে’ত হ’বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কাইলৈ অন্তিম দিন। প্ৰচাৰ অভিযানৰ সামৰণিলৈ ১২ ঘণ্টাৰো কম সময় থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত।

৩।	জাপানৰ নিম্ন সদনৰ অধ্যক্ষ নুকাগা ফুকুশ্বিৰ’ৰ নেতৃত্বত প্ৰতিনিধিৰ দলৰ আজি আই আই টি গুৱাহাটী আৰু জাগীৰোডৰ টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন।

৪।	বিশ্ব দৃশ্য-শ্ৰব্য আৰু মনোৰঞ্জন সন্মিলন ৱেভছৰ আজি সামৰণি।	**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত এখন খেলত ৰাজস্থান ৰয়েলছৰ সন্মুখত কলকাতা নাইট ৰাইডাৰ্ছৰ ২০৭ ৰাণৰ লক্ষ্য।

ooooo

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত হোৱা ভোটগ্ৰহণৰ সময়ত বিভিন্ন বিক্ষিপ্ত ঘটনা বা অন্যান্য কাৰণত ভোটগ্ৰহণত ব্যাঘাত জন্মা ৫ খন জিলাৰ মুঠ ৪৪টা ভোটগ্ৰহণ কেন্দ্ৰত আজি পুনৰ ভোটগ্ৰহণ কৰা হয়। পুনৰ ভোটগ্ৰহণ হোৱা কেন্দ্ৰকেইটাৰ ভিতৰত হাইলাকান্দি জিলাৰ সৰ্বাধিক ৩২টা, শ্ৰীভূমিৰ ৮টা, লখিমপুৰত ২টা, গোলাঘাট আৰু মাজুলীৰ এটাকৈ কেন্দ্ৰ আছে। আমাৰ হাইলাকান্দিৰ সংবাদদাতাই জনোৱা মতে কালি জিলাখনৰ আৰু এটা কেন্দ্ৰত পুনৰভোটগ্ৰহণৰ সিদ্ধান্ত লোৱা হয়। বিয়লি চাৰে ৪ বজাত এই ভোটগ্ৰহণৰ সামৰণি পৰিছে। হাইলাকান্দি জিলাত ৬৬ শতাংশৰো অধিক ভোটদান হয় বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। জিলাখনত ভোটগ্ৰহণ সামগ্ৰিকভাৱে শান্তিপূৰ্ণ আছিল। এই ভোটগ্ৰহণ সন্দৰ্ভত সবিশেষ তথ্যৰ সৈতে এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা নিলোৎপল দেৱ—-

**ভইচ (নিলোৎপল দেৱ)**

শ্ৰীভূমি জিলাৰ ৮টা ভোটগ্ৰহণ কেন্দ্ৰত আজি শান্তিপূৰ্ণভাৱে পুনৰ ভোটগ্ৰহণ কৰা হয়। দিনৰ ডেৰ বজালৈ ৭৯৪ গৰাকী ভোটদাতাৰ ভিতৰত ৩৪৭ গৰাকী ভোটদান কৰে বুলি আমাৰ সংবাদদাতাই জনাইছে। মাজুলীৰ আঁহতগুৰি পঞ্চায়তৰ ৩ নম্বৰ কাচিকটা ৱাৰ্ডৰ আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ত আজি শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ কৰা হয়। আমাৰ সংবাদদাতাই জনোৱা মতে কেন্দ্ৰটোত ৮৮ দশমিক ১-৬ শতাংশ ভোটদান হৈছে।

গোলাঘাটৰ মহুৰা জিলা পৰিষদৰ দিচৈ গাঁও পঞ্চায়ত ৭ নম্বৰ ৱাৰ্ডৰ বাবে গুটুং প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত ভোটগ্ৰহণত ৮৫ দশমিক ৭-৬ শতাংশ ভোটদাতাই ভোটদান কৰে।

০০০০০

৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কাইলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুনকৈ জালুকবাৰী সমষ্টিৰ অন্তৰ্ভুক্ত আজাৰাৰ মাজিৰগাঁৱত প্ৰচাৰ চলায়। তেওঁ পলাশবাৰী আৰু কাঁহিকুছিতো নিৰ্বাচনী প্ৰচাৰ চলায়। পলাশবাৰীৰ মাজিৰগাঁৱত জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত বিজেপি নেতৃত্বাধীন চৰকাৰৰ শাসনকালত অৰ্থনৈতিক উন্নয়ন হৈছে বুলি মন্তব্য কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অভয়াপুৰী বিধানসভা সমষ্টিৰ ঘিলাগুৰিত প্ৰচাৰ চলায়। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকাশৰ সপোনক বাস্তৱায়িত কৰাৰ যাত্ৰাত গ্ৰামাঞ্চলৰ ৰাইজক সক্ৰিয়ভাৱে অংশ ল'বলৈ আহ্বান জনায়। এই সভাত সাংসদ ফণীভূষণ চৌধুৰী উপস্থিত থাকে। শ্ৰীসোণোৱালে বৰপেটা জিলাৰ বনিয়াকুছিত আয়োজিত প্ৰচাৰ কাৰ্যসূচীতো অংশগ্ৰহণ কৰে। মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰ সমষ্টিৰ দেওচুৰ চাঙত বিজেপি আৰু অসম গণ পৰিষদ মিত্ৰজোঁটৰ আঞ্চলিক সদস্যপদৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়। তেওঁ ৭ নম্বৰ বেচামাৰী আৰু কাজিৰঙাৰ কুঠৰীতো প্ৰচাৰ সভাত অংশ লয়। বৰপেটা জিলাৰ সুন্দৰীদিয়াত আজি মন্ত্ৰী অতুল বৰাই প্ৰচাৰ সভাত অংশ লয়। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি নলবাৰী জিলাৰ ঘগ্ৰাপাৰত জিলা পৰিষদৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়। তেওঁ বাঁহজানী মণ্ডলত এটা মটৰচাইকেল সমদলতো অংশ লয়। মন্ত্ৰী পীযূষ হাজৰিকাই আজি নগাঁও জিলাৰ ৰাইদঙীয়াৰ উপৰি যমুনামুখৰ মাজগাঁৱত প্ৰচাৰ সভাত অংশ লয়।

ইপিনে লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে আজি গুৱাহাটীৰ চন্দ্ৰপুৰত পঞ্চায়ত নিৰ্বাচনৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশ লয়। এই সভাত অসম কংগ্ৰেছৰ সহ তত্বাৱধায়ক মনোজ চৌহানেও অংশ লয়। কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই বৰপেটা জিলাৰ পাকাবেতবাৰী সমষ্টিৰ ভক্তৰদবাত প্ৰচাৰ চলায়। তেওঁ দলীয় প্ৰাৰ্থীসকলক ভোট দিবলৈ আহ্বান জনোৱাৰ উপৰি শাসকীয় দলক সমালোচনা কৰে। সাংসদ প্ৰদ্যুৎ বৰদলৈও আজি কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ হৈ দক্ষিণ ধৰমতুল গাঁও পঞ্চায়তত প্ৰচাৰ চলায়।

কামৰূপ জিলাত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ চলাইছে। হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ শনিয়াদী পঞ্চায়তত আজি তৃণমূল কংগ্ৰেছ দলৰ ৰাজ্যিক উপ-সভাপতি দুলু আহমেদে প্ৰচাৰ চলায়। অসম জাতীয় পৰিষদ দলৰ হৈ দলৰ নেতা লুৰীণজ্যোতি গগৈয়ে নলবাৰীত প্ৰচাৰ চলায়। গোৱালপাৰা আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাত শাসকীয় বিজেপিৰ উপৰি কংগ্ৰেছ আৰু এ আই ইউ ডি এফ দলে ব্যাপক ৰূপত প্ৰচাৰ চলায়। অসম গণ পৰিষদ দলৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই আজি গোৱালপাৰা জিলাৰ বিভিন্ন স্থানত প্ৰচাৰ সভাত অংশ লয়। ইপিনে দক্ষিণ শালমাৰা মানকাচৰ জিলাত এ আই ইউ ডি এফ দলৰ কেইবাগৰাকী বিধায়কে কালি প্ৰচাৰ সভাত অংশ লয়।

০০০০০

জাপানৰ নিম্ন সদন হাউছ অৱ ৰিপ্ৰেজেণ্টেটিভছৰ অধ্যক্ষ নুকাগা ফুকুশ্বিৰ'ৰ নেতৃত্বত দেশখনৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ দলে আজি আই আই টি গুৱাহাটীৰ আমিনগাঁৱত থকা আছিয়ান ৱান টেকনিকেল ডেভেলপমেণ্ট চেণ্টাৰ পৰিদৰ্শন কৰে। মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ উপস্থিতিত এই দলটোৱে কেন্দ্ৰটো পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয় আৰু জাপান চৰকাৰৰ উদ্যোগত শীঘ্ৰেই যুৱক-যুৱতীসকলক জাপানীজ ভাষাৰ লগতে

বিভিন্ন কাৰিকৰী দিশত প্ৰশিক্ষণৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিব বুলি মত পোষণ কৰে। ইয়াৰ ফলত অসমৰ যুৱক-যুৱতীয়ে জাপানত কৰ্মসংস্থাপন লাভ কৰিব পাৰিব বুলি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আশা ব্যক্ত কৰে।

উল্লেখযোগ্য যে দলটোৱে কালি অসমত উপস্থিত হোৱাৰ পাছতে বিধানসভাত জাপানৰ প্ৰতিনিধিৰ দলটোৰ সৈতে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই জাপানৰ এই দলটোক আদৰণি জনাই কয়, যে এই ভ্ৰমণে অসম আৰু জাপানৰ মাজত সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। তদুপৰি জাপানী কোম্পানীসমূহক অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত বিনিয়োগ কৰাৰ প্ৰতি উৎসাহিত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত জাপানৰ সৈতে সহযোগিতাৰ বাবে লোৱা পদক্ষেপক দলটোৰ এই ভ্ৰমণে নতুন গতি প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে জাপানৰ নিম্ন সদনৰ অধ্যক্ষগৰাকীক কালি অসমৰ ব্যৱসায়িক তথা ঔদ্যোগিক পৰিৱেশৰ বিষয়ে অৱগত কৰে।

দলটোৱে আজি জাগীৰোডত নিৰ্মীয়মান ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলীও পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত দলটোৰ লগত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাও উপস্থিত থাকে। অসমত বিভিন্ন ক্ষেত্ৰত জাপানৰ বিনিয়োগৰ সম্ভাৱনা সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে এইদৰে কয়-

**বাইট (মুখ্যমন্ত্ৰী)**

জাপানৰ নিম্ন সদনৰ অধ্যক্ষসহ প্ৰতিনিধিৰ দলটো কাইলৈ অসমৰ পৰা উভতি যাব।

০০০০০

এতিয়া শুনক ৱেভছ্ সন্মিলনৰ বাতৰি **(মনতাজ)**

মুম্বাইত অনুষ্ঠিত প্ৰথম বিশ্ব দৃশ্য-শ্ৰব্য আৰু মনোৰঞ্জন সন্মিলন ৱেভছ্‌ৰ আজি সামৰণি পৰিব। আজি অন্তিম দিনা চলচ্চিত্ৰ নিৰ্মাণ সন্দৰ্ভত কেইবাখনো সত্ৰ অনুষ্ঠিত হোৱাৰ লগতে সাংস্কৃতিক অনুষ্ঠানো পৰিৱেশন কৰা হয়।

আজিৰ অনুষ্ঠানত অংশ লৈ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় জাজুৱে কয়, যে ৱেভছ্ সন্মিলন বিনিয়োগ, ব্যৱসায়, কলা-সংস্কৃতিকে ধৰি বিভিন্ন ক্ষেত্ৰৰ লোকৰ বাবে প্ৰতিভা উন্মোচনৰ বাবে সাৰ্থক মঞ্চ হিচাপে পৰিগণিত হৈছে। তেওঁ কয়, যে এই অনুষ্ঠানৰ অংশ হিচাপে আয়োজিত **ক্ৰিয়েট ইন ইণ্ডিয়া চেলেঞ্জ** শীৰ্ষক সংগীতৰ প্ৰতিযোগিতাত অংশ লৈ বিজয়ী হোৱা সকলক ভৱিষ্যতে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় মঞ্চত পৰিৱেশনৰ সুযোগ দিয়া হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা বৃহস্পতিবাৰে এই চাৰিদিনীয়া সন্মিলন মুকলি কৰিছিল। ভাৰতবৰ্ষক সংবাদ, মনোৰঞ্জন আৰু ডিজিটেল উদ্ভাৱনৰ গোলকীয় কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াসৰ অংশ হিচাপে আয়োজন কৰা এই সন্মিলনত ৯০ খনৰো অধিক দেশৰ প্ৰায় ১০ হাজাৰ প্ৰতিনিধিয়ে অংশ লৈছে।

**(মনতাজ)**

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত ৱেভছ্ ২০২৫ সন্মিলন সন্দৰ্ভত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত মুম্বাইত উপস্থিত থকা জ্যেষ্ঠ সাংবাদিক নয়ন প্ৰতিম কুমাৰ, চলচ্চিত্ৰ পৰিচালক কৃপাল কলিতা আৰু আন্তৰ্জাতিক খ্যাতি সম্পন্ন চলচ্চিত্ৰ নিৰ্মাতা মঞ্জু

বৰাই অভিৰ্বর্তন সম্পৰ্কে মতামত আগবঢ়াব। এই অনুষ্ঠানটোৰ পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মহিলাক লৈ অশোভনীয় মন্তব্য কৰাৰ অভিযোগ তুলি আজি উত্তৰ-পূব মহিলা কংগ্ৰেছে গুৱাহাটীত এখন সংবাদমেলৰ আয়োজন কৰে। এই সংবাদমেলত অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীৰ উপৰি উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ মহিলা কংগ্ৰেছৰ সভানেত্ৰীসকলে অংশগ্ৰহণ কৰে। সংবাদমেলত দলটোৰ সভানেত্ৰীসকলে মুখ্যমন্ত্ৰীগৰাকীৰ এই মন্তব্যৰ বিৰুদ্ধে কাইলৈ ৰাষ্ট্ৰীয় মহিলা আয়োগত গোচৰ তৰিব বুলি প্ৰকাশ কৰে। তেওঁলোকে এই বিষয়টোৰ সংক্ৰান্তত চিবিআই তদন্তৰো দাবী জনায়।

০০০০০

স্বাস্থ্যৰ ওপৰত হাঁহিৰ ইতিবাচক প্ৰভাৱ সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে আজি বিশ্ব হাস্য দিৱস পালন কৰা হৈছে। মে' মাহৰ প্ৰথমটো দেওবাৰে বিশ্বজুৰি এই দিৱস পালন কৰা হয়। হাস্য যোগ আন্দোলনৰ হোতা ডা০ মদন কাটাৰীয়াই ১৯৯৮ চনত এই দিৱস উদযাপনৰ আৰম্ভণি কৰিছিল। ব্যক্তিৰ মুখৰ অভিব্যক্তিয়ে তেওঁৰ আৱেগিক স্বাস্থ্যৰ ক্ষেত্ৰত সুপ্ৰভাৱ বিস্তাৰ কৰে বুলি তেওঁ উল্লেখ কৰিছিল। বিশ্ব হাস্য দিৱসৰ উদযাপনে বিশ্ব শান্তি স্থাপনৰ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰে বুলি আশা কৰা হয়। তদুপৰি হাস্য দিৱসৰ কাৰ্যসূচীয়ে বিশ্বজনীন ভাতৃত্ববোধ আৰু বন্ধুত্বৰ সম্পৰ্ক শক্তিশালী কৰে বুলিও বিশ্বাস কৰা হয়। উল্লেখযোগ্য যে বিশ্বৰ ১১৫ খন দেশত হাস্য ক্লাবসমূহে হাস্য যোগ আন্দোলনৰ গুৰি ধৰাৰ ক্ষেত্ৰত অৰিহণা যোগাই আহিছে। অসমতো আজি বিশ্ব হাস্য দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হয়। তেজপুৰত আজি বিশ্ব হাস্য দিৱস উপলক্ষে তেজপুৰ হাস্য সংঘৰ উদ্যোগত এটা শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰ পাছতে অনুষ্ঠিত এখন সভাত কেইবাগৰাকীও চিকিৎসক আৰু সমল ব্যক্তিয়ে শৰীৰৰ বাবে হাঁহিৰ উপকাৰিতা সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ২০২৪-২৫ পৰ্যটন বৰ্ষৰ বাবে অহা ১৯ মে'ৰ পৰা জীপ চাফাৰি বন্ধ কৰা হ'ব। প্ৰতিকূল বতৰৰ বাবে ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ পথসমূহ বোকাময় হৈ পৰাৰ বাবে কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে উদ্যানখনত যোৱা ৩০ এপ্ৰিলত হাতী ছাফাৰী বন্ধ কৰি দিয়া হৈছিল। অৱশ্যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বন্ধ হ'লেও পানবাৰী সংৰক্ষিত বনাঞ্চল, বিশ্বনাথৰ পানপুৰ, লাওখোৱা বুঢ়াচাপৰি বনাঞ্চল কিছু দিনৰ বাবে পৰ্যটকৰ বাবে খোলা থাকিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালকে পূৰ্বে জানিবলৈ দিয়া মতে চলিত পৰ্যটন বৰ্ষৰ মাৰ্চলৈকে ৪ লাখ ২০ হাজাৰ পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰিছে। এইবাৰ প্ৰায় ১৪ হাজাৰ বিদেশী পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰিছে। এই সংখ্যা পূৰ্বৰ বছৰসমূহত অহা বিদেশী পৰ্যটকৰ সংখ্যাৰ দুগুণ। একে সময়তে সমাগত বাৰিষাত হ'ব পৰা বানপানীৰ সৈতে মোকাবিলা কৰিবলৈ সাজু হৈছে বুলিও উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ-কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনত কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ২০৬ ৰাণ কৰে। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে বাতৰি যুগুতোৱাৰ পৰলৈকে ১৭ অভাৰত ৬টা উইকেট হেৰুৱাই ১৬৯ ৰাণ সংগ্ৰহ কৰিছে।

সন্ধিয়া চাৰে ৭ বজাত হিমাচল প্ৰদেশৰ ধৰমশালাত হ'বলগীয়া দ্বিতীয়খন খেলত পাঞ্জাব কিংছ-লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। পইণ্ট তালিকাত পাঞ্জাব কিংছ চতুৰ্থ স্থানত আৰু লক্ষ্ণৌ চুপাৰ জায়েণ্টছ ষষ্ঠ স্থানত আছে।

০০০০০

বিহাৰৰ ৰাজধানী পাটনাৰ পাতলিপুত্ৰ ক্ৰীড়া চৌহদত আজি খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱ ২০২৫ আৰম্ভ হৈছে। ১৫ মে'লৈ হ'বলগীয়া এই প্ৰতিযোগিতাত ১৮ বছৰ অনুৰ্দ্ধৰ ৮ হাজাৰ ৫০০ ৰো অধিক প্ৰতিভাবান খেলুৱৈয়ে ২৮ টা শিতানত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। বিহাৰৰ পাটনা, ৰাজগীৰ, গয়া, ভাগলপুৰ আৰু বেগুচৰাইসহ ছখন চহৰত প্ৰতিযোগিতাৰ ২৮ টা শিতানৰ খেল অনুষ্ঠিত হ'ব। তিনিটা শিতানৰ খেল নতুন দিল্লীত খেলোৱা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ খেল' ইণ্ডিয়া উদ্যমৰ অধীনৰ এই প্ৰতিযোগিতাৰ এইবাৰৰ সপ্তম সংস্কৰণত প্ৰায় পাঁচ হাজাৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

প্ৰতিযোগিতাত সেনা বাহিনীৰ উপৰি দেশৰ ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ এই খেলুৱৈসকলে ২৮ টা শিতানত প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব।

আকাশবাণীয়ে খেল' ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া বিৱৰণী প্ৰচাৰৰ ব্যৱস্থা কৰিছে। নিউজ অন এ আই আৰ ম'বাইল এপ, প্ৰসাৰ ভাৰতী স্পোৰ্টছ ইউটিউব চেনেল আৰু ডিটিএইছ যোগে এই বিৱৰণী প্ৰচাৰ কৰা হৈছে।

০০০০০

গোলাঘাট জিলাৰ খুমটাইৰ বুটলিখোৱাত আজি দুপৰীয়া ৰে'লৰ খুন্দাত এগৰাকী মহিলা নিহত হয়। বি জি এক্সপ্ৰেছৰ খুন্দাত নিহত হোৱা মহিলাগৰাকী খুমটাইৰ কচুপথাৰৰ মুনু গগৈ বুলি জানিব পৰা গৈছে।

০০০০০

সমাপ্ত